এজনে অজু কৰিলে আৰু ভৰিত নখৰ সমান ঠাই নোধোৱাকৈ এৰিলে। নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সেয়া দেখি ক'লেঃ "উভতি যোৱা আৰু ভালকৈ অজু কৰি আহা।" তাৰ পিছত সেই ব্যক্তিজন উভতি গ'ল আৰু (ভালকৈ অজু কৰি) আহি নামাজ পঢ়িলে।

জাবিৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মোক ওমৰ ইবনুল খাত্তাবে জনাইছে যে, এজনে অজু কৰিলে আৰু ভৰিত নখৰ সমান ঠাই নোধোৱাকৈ এৰিলে। নবী চাল্লাল্লাহু
আলাইহি অছাল্লামে সেয়া দেখি ক'লেঃ "উভতি যোৱা আৰু ভালকৈ অজু কৰি আহা।" তাৰ পিছত সেই ব্যক্তিজন উভতি গ'ল আৰু (ভালকৈ অজু কৰি) আহি নামাজ পঢ়িলে। [অন্যান্য হাদীছৰ সমৰ্থনত ছহীহ] [(মুছলিম)]

হাদীছটোত ওমৰ ৰাদ্বিয়াল্লাহু আনহুৱে জনাইছে যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এজন ব্যক্তিক অজু কৰা দেখিলে যে, সি ভৰি ধোৱাৰ সময়ত নখৰ সমান ঠাই এৰিছে, তাত পানীৰে জিকা নাছিল। সেয়া দেখি তেখেতে সেই নোধোৱা অংশখিনিৰ প্ৰতি ইংগিত কৰি ক'লেঃ যোৱা ভালকৈ অজু কৰি আহা, প্ৰতিটো অংগ পানীৰে ভালকৈ ধুই লবা। ইয়াৰ পিছত সেই ব্যক্তিজন উভতি গ'ল, আৰু পৰিপূৰ্ণৰূপে অজু কৰি আহি নামাজ পঢ়িলে।

http://www.sunnah.global/hadeeth/as/show/8386